অধ্যায় ৫ ঃ সৰু পৰিয়ালৰ আদর্শ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ সৰু পৰিয়ালৰ আদর্শৰ অর্থ

৫.৪ সৰু পৰিয়ালৰ আদর্শৰ প্রকৃতি

৫.৫ জনসংখ্যা নিয়ন্ত্রণত সৰু পৰিয়ালৰ আদর্শৰ সুবিধা

৫.৬ সৰু পৰিয়ালৰ আদর্শৰ বাধাবোৰ

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৬.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সৰু পৰিয়ালৰ আদর্শৰ অর্থ বুজিব পাৰিব
- সৰু পৰিয়ালৰ আদর্শৰ প্রকৃতি জানিব পাৰিব
- সৰু পৰিয়ালৰ আদর্শৰ সুবিধাবোৰ বুজিব পাৰিব
- সৰু পৰিয়ালৰ আদর্শৰ বাধাবোৰ জানিব পাৰিব।

৫.২ পৰিচয়

সৰু পৰিয়ালৰ আদর্শ বর্তমান সময়ৰ বাবে প্রয়োজন, বিশেষকৈ ভাৰতবর্ষত য'ত জনসংখ্যা বিস্ফোৰণ হ'ল ভাৰতবর্ষৰ এক প্রধান সমস্যা। সকলো মানুহে সৰু পৰিয়ালৰ আদর্শ গ্রহণেৰে এখন দেশৰ জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণ নকৰিলে বিশ্বৰ মানদণ্ডৰ তুলনাত সেই দেশৰ গুণমান তলত থাকিব। বিকশিত দেশবোৰত খাদ্যৰ উপলব্ধতা, স্বাস্থ্য সেৱা আৰু শৈক্ষিক সুবিধা বৃদ্ধি হোৱাৰ বিপৰীতে জনসংখ্যা বৃদ্ধিৰ বাবে এইবোৰ দিশ আমাৰ দেশত পিচপৰি আছে। আমাৰ দেশত বহুত মানুহে কম সেৱা বা উৎপাদনৰ লগত জড়িত হোৱা বাবে ই জীৱন ধাৰণৰ মানক প্রভাৱিত কৰিছে। বিকশিত দেশবোৰত ঔদ্যোগীকৰণে মানুহৰ জীৱন শৈলী ব্যাপকভাৱে সলাই পেলাইছে। আমাৰ দেশৰ কিছু সংখ্যক লোকে পাশ্চাত্য মানদণ্ডৰ লগত জীৱন শৈলী মিলাব পাৰিলেও জনসংখ্যা বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা নিবনুৱা আৰু নিম্ন বনুৱাৰ দৰে সমস্যাৰ বাবে সৰহ সংখ্যক ব্যক্তিয়ে দৰিদ্র সামীৰেখাৰ তলত বসবাস কৰে। যদি সৰহ সংখ্যক

ভাৰতীয় লোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হ'ব লাগে তেন্তে সকলোৱে সৰু পৰিয়ালৰ আদর্শ গ্রহণ কৰিব লাগিব। এই অধ্যায়ত আমি সৰু পৰিয়ালৰ আদর্শৰ অর্থ, প্রকৃতি আৰু সুবিধাবোৰৰ বিষয়ে আলোচনা কৰিম। আকৌ আমি ইয়াত সৰু পৰিয়ালৰ আদর্শ গ্রহণ কৰাত দেখা দিয়া সমস্যাবোৰৰ বিষয়েও আলোচনা কৰিম।

৫.৩ সৰু পৰিয়ালৰ আদর্শৰ অর্থ

সৰু পৰিয়ালৰ আদর্শই শিশুৰ সংখ্যা নিয়ন্ত্রণ কৰাকে বুজায়। আদর্শ পৰিয়ালৰ আকাৰত জন্মৰ হাৰ আৰু পৰিয়াল নিয়ন্ত্রণৰ পদ্ধতিয়ে বৃহৎ প্রভাৱ বিস্তাৰ কৰে। বর্তমান সময়ত সৰু পৰিয়ালৰ আদর্শ গ্রহণ কৰাটো অকল আকাংক্ষাই নহয়, ই প্রয়োজনীয়ও। বৃহৎ পৰিয়াল এটাত জীৱন নির্বাহ কৰাটো এটা কঠিন কাম কিয়নো বস্তুৰ দাম বৃদ্ধি হৈছে আৰু মানুহৰ প্রয়োজন বৃদ্ধি হৈছে। এইটো এটা সত্য কথা সৰু পৰিয়াল হ'ল এটা সুখী পৰিয়াল। শিশুৰ সংখ্যা কম হোৱাটো কেৱল পৰিয়ালৰ বাবেই নহয়, দেশৰ বাবেও আশীর্বাদস্বৰূপ। ইয়ে ব্যক্তিক ভাল খাদ্য, বস্ত্র আৰু শিক্ষা লাভত সহায় কৰিব। অত্যাধিক শিশু সমাজ আৰু পৰিয়ালৰ বাবে বোজা স্বৰূপ। অত্যধিক জনসংখ্যা সেয়েহে নিষিদ্ধ কৰিব লাগে। পৰিয়াল সংকটত থাকিলে বিকাশ আৰু প্রগতিৰ সকলো পৰিকল্পনা ব্যর্থ আৰু ই পৰিয়ালৰ সুখ শান্তি নোহোৱা কৰে। এজন ল'ৰা আৰু এজনী ছোৱালীয়ে আদর্শস্বৰূপ। অত্যাধিক ল'ৰা আৰু ছোৱালী দুখ আৰু বেদনাৰ কাৰণ। অপ্রয়োজনীয় বিপদ তেওঁলোকে কঢ়িয়াই আনে অন্য অর্থত অত্যধিক শিশু সমস্যাৰ কাৰণ।

১৯৫১ চনৰ পৰা আৰম্ভ হোৱা পঞ্চবার্ষিক পৰিকল্পনাত, ভাৰতবর্ষ প্রথমখন দেশ ১৯৫২ চনত জনসংখ্যাৰ নীতি গ্রহণ আৰু কার্যকৰী কৰা হৈছিল। ১৯৫১ চনৰ পৰা ১৯৫৬ চনৰ প্রথম পঞ্চবার্ষিক পৰিকল্পনাত পৰিকল্পনা আয়োগে স্বীকৃতি প্রদান কৰিছিল যে জনসংখ্যা নীতি প্রয়োজনীয় আৰু আইনৰ দৃষ্টিত পৰিয়াল পৰিকল্পনা এক গুৰুত্বপূর্ণ দিশ হিচাপে চিহ্নিত হৈছে সেয়ে কেন্দ্রীয় চৰকাৰে পৰিয়াল পৰিকল্পনাৰ বাবে ১০০% অনুদান আগবঢ়াইছিল। পৰৱর্তী পাঁচবছৰ অর্থাৎ ১৯৫৬ চনৰ পৰা ১৯৬১ চনৰ সময়ছোৱাত বন্ধ্যাকৰণ পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়া হৈছিল আৰু পৰৱর্তী পাঁচবছৰত পৰিয়াল পৰিকল্পনাৰ আচনিবোৰত ৰাষ্ট্রীয় স্বীকৃতি প্রদান কৰা হৈছিল।

১৯৬৬ চনত সৰু পৰিয়ালৰ আদর্শ নামৰ নতুন জনসংখ্যা নীতিৰ ব্যৱস্থাপনা কৰিবৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রালয় গঠন কৰা হৈছিল যিয়ে পৰিয়ালত দুটা সন্তান থক নীতিক উৎসাহিত কৰিছিল। ৰঙা ত্রিমূর্তি আছিল পৰিয়াল পৰিকল্পনা, স্বাস্থ্য আৰু গর্ভধাৰণ সেৱাৰ প্রতীক চিহ্ন। সৰু পৰিয়াল এটাই কেৱল ৰাষ্ট্রীয় পর্যায়ত জনসংখ্যা বৃদ্ধিৰ সমস্যাই সমাধান নকৰে, বৰঞ্চ ই ব্যক্তিগত পৰিয়ালৰ স্বাস্থ্য আৰু কল্যাণতো বৰঙণি যোগায়। ইয়াৰ বাবেই ভাৰতৰ অর্থনৈতিক বৃদ্ধিৰ হাৰ উন্নত হোৱা সত্বেও বৃহৎ সংখ্যক দৰিদ্র লোকৰ বাবে সম্পদৰ ফলপ্রসূ বিকাশ হোৱা নাই তথা অর্থনৈতিক বৃদ্ধিৰ হাৰো বহনক্ষম হোৱা নাই। সেয়েহে গুণগত পৰিৱর্তনৰ বাবে ভাৰত চৰকাৰে অতি শীঘ্রে জনসংখ্যা বৃদ্ধিৰ সমস্যানিৰাময় কৰিব লাগে আৰু লেহেমীয়া

জনসংখ্যা বৃদ্ধিৰ নীতি গ্রহণ কৰিব লাগে। জন্মৰ হাৰ নিয়ন্ত্রণ কৰিব লাগে যদিও ধর্ম, সাংস্কৃতিক আৰু আর্থ-সামাজিক অৱস্থা আদিৰ বাবে গ্রামাঞ্চল আৰু চহৰৰ বস্তি অঞ্চলত এই সমস্যা অধিকভাৱে থকা দেখা যায়।

৫.৪ সৰু পৰিয়ালৰ আদর্শৰ প্রকৃতি

সৰু পৰিয়ালৰ আদর্শৰ প্রধান মন্ত্র হ'ল কোনো এখন বিশেষ দেশৰ জনসংখ্যা নিয়ন্ত্রণ কৰা। প্রত্যেক সমাজেই কেতবোৰ নির্দিষ্ট আচৰণৰ আর্হি বিকশিত কৰিব লাগে যিয়ে পৰিয়ালৰ আকাৰত কেতবোৰ আদর্শ গঢ় দিব পাৰে। এই আচৰণৰ আর্হিবোৰ প্রধানতঃ বিবাহ, বিবাহৰ বয়স, লিংগৰ প্রাধান্যতা, মূল্যবোধ আৰু শিশুৰ ভূমিকা আদিৰ ভিত্তিত প্রতিষ্ঠিত হ'ব লাগে যিয়ে স্বয়ংক্রিয়ভাৱে আকাংক্ষিত পৰিয়ালৰ আকাৰৰ আদর্শ প্রতিষ্ঠা কৰিব পাৰিব। পৰিয়াল আকাৰৰ আদর্শৰ দুটা চূড়ান্ত আদর্শ হ'ল কোনো সন্তান নথকাৰ পৰা ভগৱানৰ ইচ্ছা অনুসৰি অত্যধিক সন্তান থকালৈ। আর্থ সামাজিক আৰু স্বাস্থ্যৰ অৱস্থা। বিশেষকৈ মৃত্যুৰ হাৰৰ ভিত্তিত এই দুই চূড়ান্ত সীমাৰ ভিতৰত সমাজভেদে বিভিন্ন পৰিয়ালৰ আদর্শ গ্রহণ কৰা হয়। ব্যক্তিয়ে এখন নির্দিষ্ট সমাজৰ আর্থ-সামাজিক অৱস্থাৰ ভিত্তিত পৰিয়ালৰ আকাৰৰ আদর্শও সলনি কৰিব লাগে। কিন্তু এই সলনি বা পৰিবর্তন স্বতঃস্ফূর্ত নহয় কিয়নো অর্থনৈতিক প্রগতিৰ তুলনাত মানুহৰ আদর্শগত মানদণ্ড আৰু আচৰণৰ আর্হি অধিক লেহেমীয়াকৈ পৰিবর্তন হয়। এই সাংস্কৃতিক ব্যৱধানে ব্যক্তিগত পৰিয়াল আৰু সমাজত দুখ কঢ়িয়াই আনে। প্রত্যেক দেশৰ পৰিয়াল পৰিকল্পনা আঁচনিৰ মূল লক্ষ্যই হ'ল এই ব্যৱধান নোহোৱা কৰা আৰু ব্যক্তিগত পৰিয়ালবোৰক পৰিৱর্তিত পৰিস্থিতিৰ লগত সমযোজিত কৰাত সহায় কৰা যাতে সামগ্রিক আর্থ-সামাজিক প্রগতিৰ ফল অত্যধিক ৰূপত লাভ কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সৰু পৰিয়ালৰ আদর্শ কি?

.....

.....

প্রশ্ন নং ২ ঃ ভাৰতৰ পৰিয়াল পৰিকল্পনাৰ ওপৰত এটা টোকা লিখা

.....

.....

প্রশ্ন নং ৩ ঃ সৰু পৰিয়ালৰ আদর্শৰ প্রধান মূলমন্ত্র কি?

.....

.....

৫.৫ জনসংখ্যা নিয়ন্ত্রণত সৰু পৰিয়ালৰ আদর্শৰ সুবিধা

এটা সৰু পৰিকল্পিত পৰিয়ালৰ বহুতো ভাল দিশ আৰু সুবিধা আছে। পৰিয়াল এটাৰ পৰিকল্পনা উপযুক্ত বয়সত বিবাহৰ পৰা আৰম্ভ হয়। মাতৃ আৰু শিশুৰ স্বাস্থ্যৰ বাবে উপযুক্ত গর্ভধাৰণৰ সময় হ'ল মাতৃৰ বয়স ২০ ৰ পৰা ৩০ ৰ ভিতৰত। দুটা শিশুৰ মাজত থকা উপযুক্ত ব্যৱধানে মাতৃৰ শৰীৰৰ সুস্থতা অনাত সহায় কৰে। এতিয়া আমি জনসংখ্যা নিয়ন্ত্রণত সৰু পৰিয়ালৰ আদর্শৰ কেতবোৰ সুবিধা আলোচনা কৰিব।

১) **মাতৃৰ বাবে সুবিধা ঃ**

- সৰু পৰিয়ালৰ আদর্শই মাতৃৰ স্বাস্থ্য ৰক্ষাত সহায় কৰে।
- অবাঞ্ছিত গর্ভধাৰণৰ ভয় কমোৱাত সহায় কৰে।
- সৰু পৰিয়ালৰ আদর্শই শিশুৰ সংখ্যা কম কৰাত সহায় কৰে আৰু কম সংখ্যক শিশুৱে মাতৃৰ বোজা হ্রাস কৰে।
- শিশুৰ বাবে মাতৃক অধিক শক্তি আৰু সময় প্রদানত ই সহায় কৰে।
- নিজ সন্তানৰ শিক্ষা আৰু বৃত্তিৰ বাবে অধিক সময়ত অতিবাহিত কৰাত এই ধাৰণাই মাকক সহায় কৰে।
- অধিক সংখ্যক শিশুৰ পৰিয়ালৰ সমস্যাৰ পৰা মুক্ত হোৱা বাবে সৰু পৰিয়ালৰ আদর্শই উপযুক্ত বৃত্তিৰ সুবিধা মাতৃক প্রদান কৰিব পাৰে।
- শিশুৰ স্বাস্থ্য ৰক্ষা কৰাত সৰু পৰিয়ালৰ আদর্শই মাতৃক সহায় কৰে।

২) **শিশুৰ সুবিধা ঃ**

- উপযুক্ত দৈহিক আৰু মনোবৈজ্ঞানিক বৃদ্ধি আৰু বিকাশৰ বাবে শিশুৱে উপযুক্ত পৰিৱেশ লাভ কৰে।
- শিশুৱে উপযুক্ত পুষ্টি, শিক্ষা, গর্ভাৱস্থাৰ যত্ন আৰু মৰম লাভ কৰে।

৩) **পিতৃৰ সুবিধা ঃ**

- পিতৃয়ে শিশুক উপযুক্ত শিক্ষা, আৰাম, বস্ত্র, অন্ন আৰু বিনোদন প্রদান কৰিব পাৰে।
- তেওঁ অধিক সন্তোষ আৰু ভাল স্বাস্থ্য উপভোগ কৰিব পাৰে।
- তেওঁ জীৱন ধাৰণ, উপযুক্ত স্বাস্থ্য, জীৱনৰ গুণমান বিকশাই তুলিব পাৰে।

৪) **সম্প্রদায়ৰ বাবে সুবিধা ঃ**

- সৰু পৰিয়ালে প্রাকৃতিক পৰিৱেশ ৰক্ষণাবেক্ষণ আৰু সুৰক্ষিত কৰিব পাৰে।
- সৰু পৰিয়ালৰ আদর্শই উপযুক্ত পৰিমাণৰ বিদ্যালয়, চিকিৎসালয় আৰু অন্যান্য মৌলিক সুবিধাবোৰ ক্ষেত্রত ৰাষ্ট্রক সহায় আগবঢ়ায়।
- সৰু পৰিয়ালে অধিক নিয়োগৰ সুবিধা প্রদান কৰে।
- দেশ এখনৰ মানুহৰ মাজত সৰু পৰিয়ালৰ আদর্শই আনন্দ, শান্তি, সম্প্রীতি আৰু সম্পত্তি প্রদান কৰে।

৫.৬ সৰু পৰিয়ালৰ আদর্শৰ বাধাবোৰ

সৰু পৰিয়ালৰ আদশৰ বিভিন্ন বাধাবোৰ তলত আলোচনা কৰা হ'ল—

১) **ধর্মীয় বাধাবোৰ**

- **পুত্র সন্তানৰ প্রাধান্য ঃ** ভাৰতীয় সমাজত পুত্র সন্তানৰ আকাংক্ষা বা প্রাধান্য গভীৰভাৱে শিপাই থাকে। ধর্মীয়ভাৱে পুত্র সন্তান প্রয়োজনীয় কিয়নো এইটো বিশ্বাস কৰা হয় যে আত্মাৰ মুক্তিৰ বাবে শেষ সৎকাৰ পুত্র সন্তানে কৰিব লাগে। পুত্র সন্তান পিতৃ-মাতৃৰ বৃদ্ধ বয়সৰ বাবে বীমা স্বৰূপ।
- **সন্তান ভগৱানৰ দান ঃ** সমাজৰ কোনো কোনো অঞ্চলত ধর্মীয় বিশ্বাস আছে যে সন্তান জন্ম দিয়াটো ভগৱানৰ ইচ্ছাৰ ওপৰত নির্ভৰশীল।

২) **জনগাঁথনিৰ বাধাবোৰ**

- **আগতীয়া বিবাহ ঃ** আগতীয়া বিবাহ আমাৰ সমাজত প্রচলিত হৈ আছে। বাল্য বিবাহ আমাৰ সকলো সামাজিক সমস্যাৰ লগত জড়িত হৈ আছে যিয়ে ভাৰতবর্ষত মহিলাৰ অধিকাৰ নিম্নগামী কৰিছে।
- **পৰিয়াল পৰিকল্পনা পদ্ধতিৰ উপযুক্ত জ্ঞানৰ অভাৱ ঃ** ভাৰতত বিবাহিত দম্পতীৰ মাজত গর্ভনিৰোধকৰ প্রয়োগ অতি কম। ইয়াৰ অন্তৰালত প্রধান কাৰণ হ'ল পৰিয়াল পৰিকল্পনা পদ্ধতিৰ উপযুক্ত জ্ঞানৰ অভাৱ।
- **বৃহৎ পৰিয়াল ব্যৱস্থা ঃ** বহু আগৰ পৰাই বৃহৎ পৰিয়াল ব্যৱস্থাই শিশুৰ যত্ন আৰু লালন পালনৰ বাবে সুবিধা প্রদান কৰি আহিছে। দম্পতীয়ে বৃহৎ পৰিয়ালত নিৰাপত্তা অনুভৱ কৰে। ইয়েও সৰু পৰিয়ালৰ আদর্শত বাধা প্রদান কৰে।

৩) **অর্থনৈতিক বাধাবোৰ**

- **জীৱন ধাৰণৰ নিম্ন মানদণ্ড ঃ** সৰু পৰিয়ালৰ আদর্শৰ ই হ'ল আন এক বাধা। জীৱন ধাৰণৰ নিম্ন মানদণ্ডই এচাম মানুহক বিনোদনৰ উৎস স্বৰূপে যৌন সম্ভোগ কৰাত উৎসাহ প্রদান কৰে।
- **নিম্নগামী কৃষি অর্থনীতি ঃ** ভাৰতবর্ষত বহু দশক আগৰ পৰাই পৰম্পৰাগত পদ্ধতিৰে কৃষিকার্য চলি আহিছে য'ত দশক আগৰ পৰাই পৰম্পৰাগত পদ্ধতিৰে কৃষিকার্য চলি আহিছে য'ত বহুতো সন্তান এক আশীর্বাদস্বৰূপ। যদিও তাৰে কেইটামান শিশু দহৰ পৰা পোন্ধৰ বছৰৰ ওপৰত জীয়াই নাথাকে, তথাপিও কৃষি কার্যৰ কিছুমান কাম নিজ সন্তানৰ দ্বাৰা কৃষকসকলে সম্পাদন কৰে।

৪) **শৈক্ষিক বাধাবোৰ**

- **জনসাধাৰণৰ নিৰক্ষৰতা ঃ** বৃহৎ পৰিয়ালৰ নিসন্দেহ এক গুৰুত্বপূর্ণ কাৰক হ'ল জনসাধাৰনৰ নিৰক্ষৰতা। উপযুক্ত সাক্ষৰতা আৰু শিক্ষা অবিহনে জনসাধাৰণে বর্ধিত জ্ঞানৰ সুবিধাৰ পৰা সদায় বঞ্চিত হৈ থাকিব। তেওঁলোকে অন্ধবিশ্বাসত

বিশ্বাস কৰিব আৰু বৃহৎ পৰিয়ালক কেতিয়াবা ভগৱানৰ আশীর্বাদ স্বৰূপে বিশ্বাস কৰিব। তেওঁলোক অদৃষ্টবাদী লোক হৈ পৰিব।

- **ছোৱালীৰ শিক্ষাক অৱহেলা ঃ** ছোৱালীৰ শিক্ষাক অৱহেলা কৰাৰ ফলত সৰু পৰিয়ালৰ আদর্শ গ্রহণত বিভিন্ন সমস্যাৰ সৃষ্টি হোৱা দেখা যায়। যিহেতু মহিলাসকলৰ শিক্ষাৰ অভাৱত পৰিয়াল পৰিকল্পনাৰ কোনো জ্ঞান নাথাকে সেয়ে ই সৰু পৰিয়ালৰ আদর্শৰ সপোন বাস্তৱায়িত কৰিব নোৱাৰে।

৫) **বিনোদনমূলক বাধাবোৰ**

- **বিনোদনৰ উপায়ৰ অসুবিধা ঃ** এক নির্দিষ্ট পৰিমাণৰ লোক বছৰ বছৰ ধৰি উপযুক্ত বিনোদনৰ সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। ইয়াৰ বাবে যৌন সম্ভোগক তেওঁলোকে বিনোদনৰ উপায় স্বৰূপে গণ্য কৰে আৰু সৰু পৰিয়ালৰ আদর্শৰ ধাৰণা বিফল কৰি তোলে।
- **অধিক আজৰি সময় ঃ** প্রায় ৭০% ভাৰতীয় জনসাধাৰণৰ প্রধান বৃত্তি হ'ল কৃষি। কৃষিয়ে ব্যক্তিক গোটেই বছৰ জুৰি নিয়োগৰ সুবিধা প্রদান কৰিব নোৱাৰে। সেয়েহে ব্যক্তিৰ হাতত অধিক আজৰি সময় থাকে । তেওঁলোকে আজৰি সময় অতিবাহিত কৰাৰ আটাইতকৈ সহজ উপায় হ'ল যৌন সম্ভোগ কৰা যিয়ে বৃহৎ পৰিয়াল গঠনত অৰিহণা যোগায়।

সৰু পৰিয়ালৰ আদর্শৰ বাধাবোৰ নিৰাময়ৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা গ্রহণ কৰিব লাগে সেইবোৰ হ'ল ঃ

- জনসাধাৰণক বিনোদনৰ উপযুক্ত সুবিধা প্রদান কৰিব লাগে যিবোৰ পৰিয়ালৰ অর্থনৈতিক প্রগতিৰ বাবে ফলপ্রসূ হ'ব আৰু সৰু পৰিয়ালৰ আদর্শৰ ৰক্ষণাবেক্ষণ কৰিব।
- আমাৰ দেশৰ দুখীয়া আৰু নিৰক্ষৰ জনসাধাৰণক সৰু পৰিয়ালৰ আদর্শৰ উপযুক্ত কার্যকৰী শিক্ষা প্রদান কৰিব লাগে।
- ইচ্ছাকৃত গর্ভৱতী মহিলাৰ তথ্যবোৰ স্বাস্থ্য কেন্দ্রৰ উপযুক্ত স্থানত প্রদান কৰিব লাগে।
- পৰিয়াল পৰিকল্পনা আচঁনিক জনসাধাৰণৰ আচঁনি স্বৰূপে গণ্য কৰিব লাগে। ইয়ে দম্পতিসকলক পৰিয়াল আকাৰ নির্ধাৰণ কৰাত আৰু দুটা শিশুৰ মাজৰ ব্যৱধন স্থিৰ কৰাত সহায় কৰিব।
- স্বেচ্ছাসেৱী অনুষ্ঠানবোৰৰ ভূমিকা এই ক্ষেত্রত বিশেষ গুৰুত্বপূর্ণ। বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী স্বেচ্ছাসেৱী প্রতিষ্ঠানবোৰে আমাৰ দেশৰ জনসংখ্যা নিয়ন্ত্রণত ফলপ্রসূ আৰু কার্যকৰী ভূমিকা পালন কৰিব লাগে।
- দেশৰ সকলো অঞ্চলতে উৎপাদন বৃদ্ধিৰ বাবে কৃষি কার্যত আধুনিক ফলপ্রসূ পদ্ধতিৰ প্রয়োগ কৰিব লাগে। ইয়ে মানুহৰ জীৱন ধাৰণৰ মান উন্নত কৰিব আৰু পৰোক্ষভাৱে জন্মৰ হাৰ হ্রাসত সহায় কৰিব।
- পৰিকল্পনা আচঁনিৰ বাবে জনসধৰণক শিক্ষিত কৰাৰ কেইটামান পদ্ধতি হ'ল গণ-মাধ্যম,

সংগীত, নাটক আৰু সম্প্রসাৰণমূলক শিক্ষা আদি।

- পৰিয়ালৰ আকাৰ সীমাবদ্ধ কৰিবৰ বাবে সমগ্র দেশতে ফলপ্রসূভাৱে পৰিয়াল পৰিকল্পনা কেন্দ্র মুকলি কৰিব লাগে।
- সৰু পৰিয়ালৰ আদর্শ গ্রহণৰ বাবে চৰকাৰে বিভিন্ন উদগনিমূলক আচনিৰ আৰম্ভণি কৰিব লাগে যেনে টকাৰ উদগনি, নিয়োগৰ সুবিধা, বীমাৰ সুবিধা, পদোন্নতি আদি

সামৰণিত ক'ব পাৰি যে পৰিয়ালৰ আকাৰে পৰিয়ালৰ সামগ্রিক কল্যাণ আৰু দেশৰ সুখ আনন্দত প্রভাৱ বিস্তাৰ কৰে। শিশুৰ সুস্থ দেহ-মনৰ বাবে ইয়াৰ প্রভাৱ বিশেষ মন কৰিবলগীয়া। এটা বা দুটা শিশুক লৈ সৰু পৰিয়ালৰ পৰিকল্পনা কৰাই সুখী পৰিয়ালৰ পৰিকল্পনা কৰাক বুজায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ পৰিয়ালৰ পিতৃৰ বাবে সৰু পৰিয়ালৰ আদর্শৰ সুবিধাবোৰ লিখা।

.....

.....

প্রশ্ন নং ৫ ঃ সৰু পৰিয়ালৰ আদর্শৰ বিনোদনমূলক বাধাবোৰ লিখা।

.....

.....



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো

- সকলো মানুহে সৰু পৰিয়ালৰ আদর্শ গ্রহণেৰে আমাৰ দেশৰ জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণ নকৰিলে বিশ্বৰ মানদণ্ডৰ তুলনাত আমাৰ দেশৰ গুণমান তলত থাকিব।
- যদি সৰহ সংখ্যাক ভাৰতীয় লোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হ'ব লাগে তেন্তে সকলোৱে সৰু পৰিয়ালৰ আদর্শ গ্রহণ কৰিব লাগিব।
- বর্তমান সময়ত সৰু পৰিয়ালৰ আদর্শ গ্রহণ কৰাটো কেৱল আকাংক্ষাই নহয়, ই প্রয়োজনীয়ও। বৃহৎ পৰিয়াল এটাত জীৱন নির্বাহ কৰাটো এটা কঠিন কাম কিয়নো বস্তুৰ দাম আৰু মানুহৰ প্রয়োজন দুয়োটাই বৃদ্ধি হৈছে।

- সৰু পৰিয়াল এটাই কেৱল ৰাষ্ট্রীয় পর্যায়ত জনসংখ্যা বৃদ্ধিৰ সমস্যাই সমাধান নকৰে, বৰঞ্চ ই ব্যক্তিগত পৰিয়ালৰ স্বাস্থ্য আৰু কল্যাণটো বৰঙণি যোগায়।
- প্রত্যেক সমাজেই কেতবোৰ নির্দিষ্ট আচৰণৰ আর্হি বিকশিত কৰিব লাগে যিয়ে পৰিয়ালৰ আকাৰত কেতবোৰ আদর্শ গঢ় দিব পাৰে। এই আচৰণৰ আর্হিবোৰ প্রধানত বিবাহ, বিবাহৰ বয়স, লিংগৰ প্রাধান্যতা, মূল্যবোধ আৰু শিশুৰ ভূমিকা আদিৰ ওপৰত প্রতিষ্ঠিত হ'ব লাগে যিয়ে স্বয়ংক্রিয়ভাৱে আকাংক্ষিত পৰিয়ালৰ আকাৰৰ আদর্শ প্রতিষ্ঠা কৰিব লাগিব।
- পৰিয়ালৰ আকাৰৰ আদর্শৰ দুটা চূড়ান্ত আদর্শ হ'ল 'কোনো সন্তান নথকা'ৰ পৰা 'ভগৱানৰ ইচ্ছা অনুসৰি অত্যাধিক সন্তান থকালৈ। আর্থ-সামাজিক আৰু স্বাস্থ্যৰ অৱজ্ঞা বিশেষকৈ মৃত্যুৰ হাৰৰ ভিত্তিত এই দুই চূড়ান্ত সীমাৰ ভিতৰত সমাজভেদে বিভিন্ন পৰিয়ালৰ আদর্শ গ্রহণ কৰা হয়।'
- এটা সৰু পৰিকল্পিত পৰিয়ালৰ বহুতো ভালদিশ আৰু সুবিধা আছে। পৰিয়াল এটাৰ পৰিকল্পনা। উপযুক্ত বয়সত বিবাহৰ পৰা আৰম্ভ হয়। মাতৃ আৰু শিশুৰ স্বাস্থ্যৰ বাবে উপযুক্ত গর্ভধাৰণৰ সময় হ'ল মাতৃৰ বয়স ২০ ৰ পৰা ৩০ বছৰৰ ভিতৰত। দুটা শিশুৰ মাজত থকা উপযুক্ত ব্যৱধানে মাতৃৰ শৰীৰৰ সুস্থতা অনাত সহায় কৰে।
- সৰু পৰিয়ালৰ আদর্শৰ প্রধান বাধাবোৰ হ'ল— পুত্র সন্তানৰ প্রাধান্য, সন্তান ভগৱানৰ দান, আগতীয়া বিবাহ, পৰিয়াল পৰিকল্পনা পদ্ধতিৰ উপযুক্ত জ্ঞানৰ অভাৱ, বৃহৎ পৰিয়াল ব্যৱস্থা, জীৱন ধাৰণৰ নিম্ন মানদণ্ড, নিম্নগামী কৃষি অর্থনীতি, জনাসাধাৰণৰ নিৰক্ষৰতা, ছোৱালীৰ শিক্ষাক অৱহেলা, বিনোদনৰ উপায়ৰ অসুবিধা, অধিক আজৰি সময় ইত্যাদি।



৫.৮ অধিক জানিবলৈ

১) Aggarwal, J.C. (2013). Population Education, New Delhi : Shipra Publications.

২) Akhtar, Parveen R. (2014). Enviornmental and Population Education, Guwahati : Assam Book Depot.

৩) Chandel & Nand (2011). Population Education. Agra : Shri Vinod Pustak Mandir.

৪) Goswami, Meena Kumari (2013). Environmental Education and Population Education, New Delhi : Asian Books Private Limited.